# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 16-09-2026
**Time :** 2125 PM

## *Assamese Night Bulletin*

**-------------------**

ooooo

শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি ৰাজ্যৰ অনুসূচিত জনজাতিৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ৰাষ্ট্ৰীয় পোষ্ট-মেট্ৰিক জলপানি বিতৰণ কৰে। গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত জনজাতি পৰিক্ৰমা বিভাগৰ উদ্যোগত এই অনুষ্ঠান অনুষ্ঠিত হয়। ইয়াৰ জৰিয়তে ১ লাখ ৬৬ হাজাৰ ১২৪ গৰাকী শিক্ষাৰ্থীক মুঠ ১৯৪ দশমিক ৫৫ কোটি টকাৰ জলপানি প্ৰদান কৰা হয়। এই জলপানিয়ে অনুসূচিত জনজাতীয় শিক্ষাৰ্থীসকলৰ উচ্চ শিক্ষাত সহায় কৰাৰ লগতে নতুন উদ্যম আৰু আত্মবিশ্বাস প্ৰদান কৰিব বুলি মন্ত্ৰী ডাঃ পেগুৱে আশা প্ৰকাশ কৰে।

ooooo

নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ দাখিলৰ আজি অন্তিম দিনা সমষ্টিটোৰ বিজেপি প্ৰাৰ্থী দেৱাশীষ শৰ্মা, কংগ্ৰেছ প্ৰাৰ্থী, শিৰামণি বৰা আৰু এ আই ইউ ডি এফৰ প্ৰাৰ্থী বদৰুদ্দিন আজমলে মনোনয়ন পত্ৰ দাখিল কৰে। আমাৰ নগাঁৱৰ সংবাদদাতাই জনোৱা মতে মুঠ ২৪ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। ইয়াৰে ভিতৰত তৃণমূল কংগ্ৰেছৰ আব্দুল চালাম, আৰ চি পি আই আৰ ভিৰ ইনামুল হুদা, নৱৰং কংগ্ৰেছ পাৰ্টীৰ শ্বেখ কৰিমুল্লা, নিৰ্দলীয় প্ৰাৰ্থী ক্ৰমে ফাৰুক খান, মনিৰুল হুছেইন, মুস্তাকিম আলম, চাবিনা য়াছমিন, চাইফুৰ ৰহমান, নজৰুল ইছলাম আৰু প্ৰণৱ কৌশিক আছে।

প্ৰাৰ্থীসকলে দলীয় নেতা-কৰ্মীসকলক লগত লৈ নগাঁও জিলা আয়ুক্ত তথা ৰিটাৰ্নিং বিষয়াৰ ওচৰত মনোনয়ন দাখিল কৰে। বিজেপি প্ৰাৰ্থী দেৱাশীষ শৰ্মাৰ সৈতে মনোনয়ন পত্ৰ দাখিল পৰ্বত বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, মন্ত্ৰী পীযুষ হাজৰিকাকে ধৰি শীৰ্ষ নেতৃবৰ্গই অংশগ্ৰহণ কৰে।

কংগ্ৰেছ প্ৰাৰ্থী শিৰামণি বৰাই নগাঁও জিলা কংগ্ৰেছ কাৰ্যালয়ৰ পৰা সমদলেৰে জিলা আয়ুক্ত তথা ৰিটাৰ্নিং বিষয়াৰ কাৰ্যালয়লৈ গৈ মনোনয়ন দাখিল কৰে। মনোনয়ন দাখিল পৰ্বত অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈ, সাংসদ ৰকিবুল হুছেইনসহ দলটোৰ কেইবাগৰাকী শীৰ্ষ নেতা উপস্থিত থাকে।

এ আই ইউ ডি এফৰ প্ৰাৰ্থী বদৰুদ্দিন আজমলেও আজি মনোনয়ন পত্ৰ দাখিল কৰে। তেওঁ ধিং গে'টত থকা নগাঁও জিলা কাৰ্যালয়ৰ পৰা দলীয় সমৰ্থক আৰু কৰ্মকৰ্তাসকলক লৈ মনোনয়ন দাখিল কৰে। তৃণমূল কংগ্ৰেছৰ প্ৰাৰ্থী আব্দুল ছালামে মনোনয়ন পত্ৰ দাখিলৰ সময়ত মন্দিয়াৰ বিধায়ক চেৰমান আলি আহমেদ উপস্থিত থাকে।

উল্লেখযোগ্য যে অহা ৬ অক্টোবৰত নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব। ৯ অক্টোবৰত ভোটগণনা কৰা হ'ব।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিন তথা একেৰাহে মুখ্যমন্ত্ৰী আৰু প্ৰধানমন্ত্ৰীৰূপে ২৫ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে দেশৰ অন্যান্য প্ৰান্তৰ লগতে অসমতো কাইলৈৰ পৰা অহা ১৭ অক্টোবৰলৈ সেৱা সমৰ্পন মাহৰ আয়োজন কৰা হৈছে। এই সময়ছোৱাত কুইজ, আবৃত্তি প্ৰতিযোগিতাকে ধৰি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হ'ব। প্ৰধানমন্ত্ৰী মোদীৰ জন্মদিন উপলক্ষে কাইলৈ সন্ধিয়া মাটিৰ চাকি জ্বলাবলৈ অসমবাসীক মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যম যোগে আহ্বান জনাইছে। অসমৰ উন্নয়নৰ বাবে প্ৰধানমন্ত্ৰী মোদীয়ে অৰিহণা আগবঢ়োৱা বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। এই অৱদানৰ স্বীকৃতি স্বৰূপে প্ৰধানমন্ত্ৰী মোদীক সন্মান প্ৰদৰ্শন কৰিবলৈ তেওঁ আহ্বান জনায়।

০০০০০

মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ প্ৰথম আৰু দ্বিতীয় পৰ্যায়ৰ অধীনত কাইলৈ শ্ৰীভূমি জিলাত বিধানসভা সমষ্টিভিত্তিত  যুৱক-যুৱতীসকলৰ সংস্থাপনৰ লক্ষ্যৰে প্ৰত্যক্ষ লাভ হস্তান্তৰৰ  জৰিয়তে পুঁজি বিতৰণৰ লগতে অন্যান্য সুবিধা প্ৰদান কৰা হ'ব।  উত্তৰ কৰিমগঞ্জ বিধানসভা সমষ্টিৰ বাবে শ্ৰীভূমি চহৰৰ জিলা গ্ৰন্থাগাৰ ভৱনত, দক্ষিণ কৰিমগঞ্জ সমষ্টিৰ বাবে নিলামবজাৰ মহাবিদ্যালয়ত, পাথাৰকান্দি সমষ্টিৰ বাবে হাতীখিৰা নাচঘৰত আৰু ৰামকৃষ্ণ নগৰ সমষ্টিৰ বাবে ৰামকৃষ্ণ নগৰ মহাবিদ্যালয়ত অনুষ্ঠানৰ আয়োজন কৰা হৈছে। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ জৰিয়তে যুৱক-যুৱতীসকলক আত্মসংস্থাপন তথা ক্ষুদ্ৰ উদ্যোগ স্থাপনৰ বাবে উৎসাহিত কৰিবলৈ ২ ৰ পৰা ৫ লাখ টকা  পৰ্যন্ত আৰ্থিক সাহায্য প্ৰদান কৰা হয়।

০০০০০

শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ দিনটো একতা দিৱস হিচাপে পালন কৰিবলৈ খিলঞ্জীয়া সুৰক্ষা বাহিনী অসমে আহ্বান জনাইছে। সুৰক্ষা বাহিনী অসমৰ অধ্যক্ষ গোবিন্দ গায়ন, সচিব প্ৰধান কৃষ্ণকান্ত দাস আৰু প্ৰচাৰ সচিব যুগান্ত বায়নে প্ৰকাশ কৰা এটা বিবৃতিত কয় যে জুবিন গাৰ্গৰ অকাল মৃত্যুৰ পাছত তেওঁক শেষ শ্ৰদ্ধা জনাবলৈ ৰাজ্যৰ ভিন্ন প্ৰান্তৰ লোক ওলাই আহিছিল। অকল ৰাজ্যতেই নহয়, দেশ-বিদেশৰ ভিন্ন প্ৰান্তৰ লোকে শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি বিৰল পৰিৱেশৰ সৃষ্টি কৰিছিল। এইসমূহ লোকৰ মাজত বিভিন্ন ধৰ্মী আৰু জাতি-জনগোষ্ঠীৰ লোক আছিল। এগৰাকী শিল্পীৰ মৃত্যুৱে ধৰ্ম-ভাষা, বৰ্ণ, জাতি-জনগোষ্ঠীৰ বিভেদ আঁতৰাই সকলোকে একত্ৰিত কৰি গভীৰ মানৱীয় সম্প্ৰীতি আৰু একতাৰ পৰিৱেশ সূচনা কৰা বাবে শিল্পীগৰাকীৰ মৃত্যু দিনটো অৰ্থাৎ অহা ১৯ ছেপ্তেম্বৰৰ দিনটো একতা দিৱস হিচাপে পালন কৰিবলৈ সংগঠনটোৰ নেতৃবৃন্দই জনসাধাৰণক আহ্বান জনাইছে।

০০০০০

সমাপ্ত